**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান উচ্চতম ন্যায়ালয়ৰ।
২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ আজি শুভ উদ্বোধন।
৩। দেশৰ প্ৰগতিৰ লগতে দুখীয়া আৰু নিপীড়িত লোকসকলক আগুৱাই নিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি এন ডি এৰ এখন বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।
৪। ধুবুৰী জিলাৰ ৰূপসী বিমানবন্দৰযোগে পশ্চিম অসমৰ অঞ্চলসমূহৰ বাবে সুযোগ সুবিধা সৃষ্টি কৰি গুৱাহাটী আৰু কলকাতালৈ পুনৰ সেৱা।
৫। বিদেশ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে ইণ্ডোনেছিয়া ভ্ৰমণ। **আৰু**
৬। ৬৮ সংখ্যক ৰাষ্ট্ৰীয় ফেন্সিং প্ৰতিযোগিতালৈ অসমৰ ছগৰাকী খেলুৱৈ নিৰ্বাচিত।

০০০০০০

উচ্চতম ন্যায়ালয়ে কালি অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান কৰে। নাগৰিকত্ব আইনৰ ৬(ক) নম্বৰ দফা অনুসৰি সৰ্বোচ্চ ন্যায়ালয়ে এই ৰায় প্ৰদান কৰে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে কালি এই ৰায়দান কৰে। উচ্চতম ন্যায়ালয়ৰ এই ৰায়দানৰ পাছতেই ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাৰ সদস্যসকলে সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়দানক আৰদণি জনাই আনন্দ প্ৰকাশ কৰিছে। ছাত্ৰ সংগঠনটোৰ শিৱসাগৰ জিলা গোটে কালি সন্ধিয়া শিৱসাগৰ নগৰত ফটকা ফুটাই আনন্দ প্ৰকাশ কৰাৰ লগতে অসম আন্দোলনত শ্বহীদ হোৱা সকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন জনায়। ছাত্ৰকৰ্মীসকলে সংগঠনটোৰ জিলা কাৰ্যালয়ৰ শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে। এই ৰায়ে অসম আন্দোলন আৰু অসম চুক্তিৰ যুক্তিযুক্ততা পুনৰ প্ৰতিষ্ঠা কৰা বুলি সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে আকাশবাণীৰ সৈতে হোৱা সাক্ষাৎকাৰত এনেদৰে প্ৰকাশ কৰে-

**বাইট (সমীৰণ ফুকন)**

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ আজি শুভ উদ্বোধন কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত বিয়লি চাৰি বজাত নিৰ্বাচিত উদ্যোগীলৈ ক্ৰমে দুই লাখ আৰু ৫ লাখ টকাকৈ আগবঢ়োৱা হ'ব। উদ্যোগীসকললৈ আৰ্থিক সাহায্য আগবঢ়োৱা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ লগতে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ বাবে আগ্ৰহী অৰ্হতাসম্পন্ন আবেদনকাৰীসকলে পঞ্জীয়ন কৰিব পাৰে। চি এম এ এ এ প'ৰ্টেল cmaaa.assam.gov.in ত প্ৰথমে নিজৰ নাম পঞ্জীয়ন কৰি পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰকল্পৰ প্ৰতিবেদন জমা দিব পাৰিব। নিজৰ সম্পূৰ্ণ নাম, ম'বাইল নম্বৰ, ই-মেইল আই ডি আদি প্ৰদান কৰি প'ৰ্টেলত পঞ্জীয়ন কৰিব পাৰিব। সাধাৰণ শ্ৰেণীৰ বাবে পঞ্জীয়ন মাচুল ২০০ টকা আৰু অনুসূচীত জাতি-জনজাতি তথা অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে ১০০ টকা অনলাইন মাধ্যমেৰে জমা দিব লাগিব। সফল পঞ্জীয়নৰ অন্তত প্ৰাপ্তি স্বীকাৰৰ ৰচিড ডাউনলোড কৰিব পাৰিব। পঞ্জীয়নৰ প্ৰ-পত্ৰত উল্লেখ কৰা নাম প্ৰাৰ্থীৰ পৰিচয়পত্ৰ, বেংকৰ পাচবুক আদিৰ সৈতে একে হোৱাটো বাঞ্চনীয়। আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা আৰু অসমত বসবাস কৰা ব্যক্তি হ'ব লাগিব। নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হ'ব লাগিব। আবেদনকাৰীৰ বয়স ১ এপ্ৰিল ২০২৪ত ২৮ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। অনাবৃত্তিমূলক শাখাৰ প্ৰাৰ্থীসকলৰ বাবে দশম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব। ইফালে বৃত্তিমূলক শাখাৰ প্ৰাৰ্থীসকলৰ বাবে অভিযান্ত্ৰিক, মেডিচিন, কৃষি, পশু আৰু মীণ পালন আদি খণ্ডৰ চাৰি বছৰীয়া স্নাতক হোৱাটো বাঞ্চনীয়। ন্যূনতম শিক্ষাগত অৰ্হতাৰ লগতে আবেদনকাৰীৰ কিছু অন্যান্য অৰ্হতা থকাটো প্ৰয়োজন। আবেদনকাৰীৰ দক্ষতা, অভিজ্ঞতা, ধন উপাৰ্জন সম্পৰ্কীয় কাম কৰাৰ জ্ঞান থকাটো প্ৰয়োজন। বাণিজ্যিক বেংকত আবেদনকাৰীৰ এক এপ্ৰিল ২০২৪ৰ পূৰ্বৰ বেংক একাউণ্ট থকাটো প্ৰয়োজনীয়। আবেদনকাৰী পূৰ্বে কোনো বাণিজ্যিক বেংকৰ পৰা ঋণ লৈ পৰিশোধ নকৰা ব্যক্তি হ'ব নালাগিব। ইয়াৰ লগতে আবেদনকাৰী অথবা পৰিয়ালৰ কোনো সদস্যই চি এম এ এ এ প্ৰথম পৰ্যায়ৰ সুবিধা লাভ কৰিব নালাগিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ত ২৫ হাজাৰতকৈও অধিক যুৱ উদ্যমীলৈ ৫১০ কোটি টকাৰ আৰ্থিক অনুদানৰ প্ৰথম কিস্তিৰ ধন ইতিমধ্যে মুকলি কৰি দিয়া হৈছে।০০০০০

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ এখন বৈঠকত দেশৰ প্ৰগতিৰ লগতে দুখীয়া আৰু নিপীড়িত লোকসকলক আগুৱাই নিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি দোহাৰে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ সৈতে ছণ্ডিগড়ত অনুষ্ঠিত বৈঠকত সুশাসন আৰু নাগৰিকৰ জীৱন উন্নত কৰি তোলাৰ বাবে চৰকাৰ আগ্ৰহী বুলি প্ৰকাশ কৰে।

**ৰাইট**

০০০০০০

অসমৰ পৰ্বতাৰোহী নৱ কুমাৰ ফুকনে ৮ হাজাৰ ৮৮৪ মিটাৰ উচ্চতাৰ নিউ গিনি দ্বীপৰ পুনকাক জয়া বা কাৰ্ষ্টেন্স পিৰামিড আৰোহণ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। কাৰ্ষ্টেন্স পিৰামিড হ'ল ইণ্ডোনেছিয়াৰ সৰ্বোচ্চ শৃংগ। ইণ্ডোনেছিয়াৰ মধ্য পাপুৱাৰ মিমিকা ৰিজেন্সিৰ হাইলেণ্ডৰ চুদিৰমান ৰেঞ্জত এই পৰ্বত অৱস্থিত। নৱ কুমাৰ ফুকনে ১৪ অক্টোবৰত এই অভিযান সফলভাৱে সম্পন্ন কৰিবলৈ সমৰ্থ হয়। ফুকনে অ' এন জি চিৰ চি এছ আৰ পদক্ষেপৰ অধীনত লাইপলেং তৈলক্ষেত্ৰ এলেকাৰ স্থানীয় যুৱকৰূপে অ' এন জি চি অসম এচেটৰ পৃষ্ঠপোষকতাত এই অভিযান চলাইছিল। এই সন্দৰ্ভত আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে এইদৰে কয়-

**ভইচ কাষ্ট (মুজাহিদ আলী)**

০০০০০০

ধুবুৰী জিলাৰ ৰূপসী বিমানবন্দৰযোগে পশ্চিম অসমৰ অঞ্চলসমূহৰ বাবে সুন্দৰ সুযোগ সুবিধা সৃষ্টি কৰি গুৱাহাটী আৰু কলকাতালৈ পুনৰ সেৱা আগবঢ়াইছে। ৰূপসী বিমানবন্দৰৰ নতুন সেৱা আৰম্ভ হোৱা বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জনাইছে। সূচল বিমান যাতায়াতৰ বাবে ৰূপসীৰ পৰাই যাত্ৰীসকলে গুৱাহাটী আৰু কলকাতালৈ যাত্ৰা কৰিব পাৰিব বুলি তেওঁ কয়। ইফালে ৰাজ্যৰ হস্তশিল্প আৰু বস্ত্ৰশিল্প মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই কালি ধুবুৰী জিলাৰ ৰূপসী বিমান বন্দৰৰ পৰা বিমান চলাচলৰ শুভাৰম্ভ কৰে। কালিৰে পৰা শুভাৰম্ভ হোৱা এই বিমান বন্দৰযোগে গুৱাহাটীৰ পৰা ৰূপসী হৈ কলকাতা আৰু কলকাতাৰ পৰা ৰূপসী হৈ গুৱাহাটীলৈ সপ্তাহত ৩ দিন বিমান চলাচল কৰিব। উল্লেখযোগ্য যে উড়ান আঁচনিৰ অধীনত এলায়েন্স এয়াৰ নামৰ বিমান সংস্থাটো ৰূপসী বিমান বন্দৰৰ পৰা বিমানসেৱা চলাচলত নিয়োজিত হৈ আছে। এই সন্দৰ্ভত আমাৰ ধুবুৰীৰ সংবাদদাতাই এইদৰে কয়-

**ভইচ কাষ্ট**

০০০০০০

বিদেশ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। তেওঁ দেওবাৰে দেশখনৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু ভাৰতৰ পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ এক্ট ইষ্টৰ নীতিৰ এটা দশক সম্পূৰ্ণ হোৱাৰ উদযাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। বিদেশ মন্ত্ৰালয়ে কৈছে যে শপত গ্ৰহণ অনুষ্ঠানত শ্ৰী মাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সুচাইছে।

০০০০০০

মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশৰূপে দ্বিতীয় জ্যেষ্ঠ ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নাম আনুষ্ঠানিকভাৱে প্ৰস্তাৱ কৰিছে। কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা এখন পত্ৰত চন্দ্ৰচূড়ে কয় যে, যিহেতু ১০ নৱেম্বৰত তেওঁৰ কাৰ্যকালৰ অন্ত পৰিব তাৰ পাছত ন্যায়াধীশ খান্না মুখ্য ন্যায়াধীশ হ'ব। চৰকাৰৰ অনুমোদনৰ পাছত ন্যায়াধীশ খান্না হ'ব ভাৰতৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ। ২০২৫ চনৰ ১৩ মে'ত মুখ্য ন্যায়াধীশ হিচাপে খান্নাৰ ছমহীয়া কাৰ্যকালৰ অন্ত পৰিব। উল্লেখযোগ্য যে অৱসৰ গ্ৰহণ কৰিবলগীয়া ভাৰতৰ মুখ্য ন্যায়াধীশে উচ্চতম ন্যায়ালয়ৰ দ্বিতীয় জ্যেষ্ঠ ন্যায়াধীশগৰাকীক চি জে আইৰ বাবে মনোনীত কৰা বিধি অনুসৰি চন্দ্ৰচূড়ে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০

ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। অহা ১৩ নৱেম্বৰত হ'বলগীয়া এই পৰ্যায়ত ৰাজ্যখনৰ ৪৩টা সমষ্টি সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ৰ বাবে ২৫ অক্টোবৰ মনোনয়পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৮ অক্টোবৰত মনোনয়পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ৩০ অক্টোবৰলৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ৰাজ্যখনত এইবেলি দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ২০ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটে আসনৰ ভাগ-বাটোৱাৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ

উদ্দেশ্যে মিত্র দলসমূহৰ সৈতে আলাপ-আলোচনা অব্যাহত ৰাখিছে। এইবাৰ বিজেপিয়ে এ জে এছ ইউ, জে ডি ইউ আৰু চিৰাগ পাছোৱান নেতৃত্বাধীন এল জে বিৰ সৈতে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ইয়াৰ বিপৰীতে ঝাৰখণ্ড মুক্তি মৰ্চাই কংগ্ৰেছ, ৰাষ্ট্ৰীয় জনতা দল আৰু চি পি আই এম এলৰ সৈতে মিত্ৰতাৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

বলীউদ তথা দক্ষিণৰ চলচিত্ৰ অভিনেত্ৰী তামান্না ভাটিয়াই কালি অনলাইন বেটিং এপৰ প্ৰচাৰৰ সৈতে জড়িত এটা গোচৰ সম্পৰ্কত কালি মুম্বাইৰ পৰা আহি গুৱাহাটীৰ বিধি বলৱৎকাৰী সঞ্চালয়ৰ তদন্তকাৰী দলৰ আগত হাজিৰ হৈছে। প্ৰাপ্ত তথ্য অনুসৰি অভিনেত্ৰী তামান্নাই অবৈধভাৱে চলা এটা ক্ৰিকেটৰ অনলাইন জুৱা এপৰ বাবে প্ৰচাৰ চলাইছিল। অভিনেত্ৰীগৰাকীক পূৰ্বেও বিধি বলৱৎকাৰী সঞ্চালয়ে কেইবাবাৰো চমন দিছিল। কিন্তু মহাৰাষ্ট্ৰৰ ই ডি কাৰ্যালয়ৰ পৰা জাৰি কৰা পূৰ্বৰ চমন তামান্নাই আওকান কৰিছিল। মহাৰাষ্ট্ৰৰ গোচৰতে তামান্নাক গুৱাহাটীত সোধা-পোছাৰ বাবে চমন জাৰি কৰা হৈছে বুলি জানিব পৰা গৈছে। অভিনেত্ৰীগৰাকীক দুপৰীয়া প্ৰায় ২ বজাৰ পৰা ৭-৮ ঘণ্টা ধৰি জেৰা কৰাৰ পাছত যাবলৈ দিয়া হয়।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি কাতি বিহু উপলক্ষে ৰাইজক শুভেচ্ছা জ্ঞাপন কৰি কয় যে, কাতি বিহুৰ ঐতিহ্য পৰম্পৰা আৰু আকাশবন্তিৰ পোহৰে ন-আশাৰ সঞ্চাৰ কৰি অসমীয়াৰ সমাজ জীৱন উজ্বলাই তোলে। তুলসী তলৰ বন্তিয়ে পবিত্ৰতা কঢ়িয়াই আনে। কালি দিহিংচাং বহুমুখী সমবায় সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ টিংখাঙৰ কৃষিজীৱী ৰাইজৰ সহযোগত টিংখাঙৰ নখাট লেঙেৰীপথাৰত আয়োজিত কাতি বিহু পালন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে উল্লেখ কৰে। অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, বিধায়ক প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, তৰংগ গগৈ, তেৰছ গোৱালাৰ লগতে বহু লোক উপস্থিত থাকে।

০০০০০০

তামুলপুৰৰ খেল ইণ্ডিয়া ফেন্সিং কেন্দ্ৰৰ ছগৰাকী খেলুৱৈ ১৪ বছৰ অনুৰ্ধৰ ৬৮ সংখ্যক ৰাষ্ট্ৰীয় ফেন্সিং প্ৰতিযোগিতালৈ বাছনি লাভ কৰিছে। বাছনি লাভকৰা খেলুৱৈসকলৰ ভিতৰত স্বৰাংমা বড়ো, মাধুৰী দাস, অখিল বড়ো, ধ্ৰুৱজ্যোতি বড়ো, গৌৰৱ মহন্ত আৰু ৰণজিৎ বড়ো আছে। এই খেলুৱৈসকলে ১২ৰ পৰা ১৬ নৱেম্বৰলৈ জম্মুত হ'বলগীয়া ৰাষ্ট্ৰীয় ফেন্সিং প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

অসম চুক্তিক ন্যায্যতা প্ৰদান কৰি উচ্চতম ন্যায়ালয়ৰ ৫ জনীয়া সাংবিধানিক বিচাৰপীঠে ১৯৫১ চনৰ পৰিৱৰ্তে অসমত বিদেশী নাগৰিক চিনাক্তকৰণৰ ভিত্তি বৰ্ষ ১৯৭১ চন হ'ব বুলি কৰা ৰায়দানৰ বাতৰিটোক আমাৰ অসম কাকতে ঐতিহাসিক ৰায় যোগে অসম চুক্তিক বিশেষ মান্যতা দিলে উচ্চতম ন্যায়ালয়ে, নাগৰিকত্বৰ ভিত্তি বৰ্ষ ১৯৭১, অসমীয়া খবৰ কাকতে সুদীৰ্ঘ ১২ বছৰ আইনী যুঁজৰ পাছত অসমত নাগৰিকত্বৰ ভিত্তি বৰ্ষ সন্দৰ্ভত ছিল-মোহৰ মাৰিলে সৰ্বোচ্চ ন্যায়ালয়ে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিন, দি আছাম ট্ৰিবিউন, দ্যা ছেণ্টিনেল আদি কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিজেপি নেতা নায়ব সিং সৈনীয়ে কালি দ্বিতীয়বাৰৰ বাবে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাতৰিটো দৈনিক অসম কাকতে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী ৰূপে শপত ল'লে সৈনীয়ে শিৰোনামেৰে প্ৰকাশ কৰিছে।

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নিৰ্দেশত উচ্চতম ন্যায়ালয়ত ন্যায় প্ৰতিমূৰ্তি সলনি কৰা হৈছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে দুই চকু মুক্ত ঃ হাতত সংবিধান, দগাপাল্লা ৰখা নতুন নাৰীৰ মূৰ্তি প্ৰতিষ্ঠা, সলনি হ'ল উচ্চতম ন্যায়ালয়ৰ নাৰী মূৰ্তি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অভিনেত্ৰী তামান্না ভাটীয়াই গুৱাহাটী মহানগৰীৰ ই ডিয়ে আঠ ঘণ্টা পৰ্যন্ত জেৰা চলোৱা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে মহানগৰীত তাৰকা অভিনেত্ৰী তামান্নাক আঠ ঘণ্টা মাৰাথন জেৰা ই ডিৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শ্বেইখ হাছিনাৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পাৰোৱান জাৰি এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ঝাৰখণ্ডৰ বিধানসভাৰ নিৰ্বাচনতো ড০ হিমন্ত বিশ্ব শৰ্মা-গৌৰৱ গগৈৰ যুঁজ, ওপজা দিনত সিংহ পুৰুষ আৰ জি বৰুৱাক সশ্ৰদ্ধ প্ৰনাম, তিনি বছৰত গ্ৰেপ্তাৰ ২৩৫ চৰকাৰী কৰ্মচাৰী, ১৮০ জন বিষয়া, আধ্যাত্মিক ভাবনাৰে ৰাজ্যত উদযাপন কাতি বিহু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত